**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 09-02-2026**
**Time : 21-25 Hrs.**

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্যৰ চাহ জনগোষ্ঠীৰ লোকসকলক ভূমিপট্টা প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰথমটো আনুষ্ঠানিক কাৰ্যসূচী মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি চাবুৰাত আৰম্ভ কৰে। দিনজয় চাহ বাগিচাৰ খেল পথাৰত অনুষ্ঠিত এই কাৰ্যসূচীত ডঃ শৰ্মাই প্ৰস্তাৱিত ভূমি বন্দোৱস্তিৰ প্ৰ-পত্ৰসমূহ বিতৰণ কৰে। এই বন্দোৱস্তি অনুযায়ী শ্ৰমিকৰ আবাসিক এলেকাত বসবাস কৰা চাহ জনগোষ্ঠীৰ শ্ৰমিক পৰিয়ালসমূহক এই প্ৰ-পত্ৰ প্ৰদান কৰা হ'ব। ইয়াৰ জৰিয়তে এই পৰিয়ালসমূহে আধুনিক জৰীপ মানচিত্ৰৰ জৰিয়তে ভূমিৰ অধিকাৰ লাভ কৰিব। ইয়াৰ লগতে গৃহ নিৰ্মাণ আৰু প্ৰয়োজনীয় বেংক ঋণ, শিক্ষা আৰু কল্যাণমূলক আঁচনিসমূহৰ সুবিধাও লাভ কৰিব। এই অধিকাৰ ডিজিটেলী নথিভুক্ত স্থায়ী ভূমি অধিকাৰ হ'ব বুলি ৰাজ্য চৰকাৰে ইতিমধ্যে সদৰি কৰিছে। ৮২৬ খন চাহ বাগিচা সামৰি লোৱা এই পদক্ষেপৰ অন্তৰ্ভুক্ত শ্ৰমিক পৰিয়ালসমূহক সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় অথবা নিৰ্ধাৰিত কেন্দ্ৰৰ পৰা অফলাইন প্ৰ-পত্ৰ সংগ্ৰহ কৰিবলৈ ৰাজ্য চৰকাৰে অনুৰোধ জনাইছে।

মৰিগাওঁ জিলাতো আজি বিধায়ক ৰমাকান্ত দেউৰীয়ে ৪০৮ টা চাহ শ্ৰমিক পৰিয়ালৰ মাজত ভূমি বন্দোৱস্তিৰ প্ৰ-পত্ৰ বিতৰণ কৰে।

ooooo

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত ডিব্ৰুগড়, শিৱসাগৰ, তিনিচুকীয়া আৰু চৰাইদেউ জিলাৰ ১০ হাজাৰ ৪০৪ গৰাকী যুৱ উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধন বিতৰণ কৰে। মুখ্যমন্ত্ৰীয়ে ডিব্ৰুগড় জিলাৰ টিংখাং বিধানসভা সমষ্টিৰ ঘূটুংছিগা চাৰিআলিত আয়োজিত অনুষ্ঠানত জিলাখনৰ হিতাধিকাৰীসকলক প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰে। অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰীয়ে কয় যে আত্মনিৰ্ভৰ অসম গঢ়াৰ সংকল্পৰে ৰাজ্য চৰকাৰে যুৱ উদ্যমীতাৰ পৰিবেশ গঢ়ি তুলিবলৈ গ্ৰহণ কৰা সংকল্পৰ অধীনত এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

বাইট

ooooo

কাইলৈৰ পৰা অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনত কাইলৈৰ পৰা ৰাজ্যৰ এহেজাৰ ৪৬টা পৰীক্ষা কেন্দ্ৰতহাইস্কুল শিক্ষান্ত পৰীক্ষা অনুষ্ঠিত হব। এই পৰীক্ষাত ৪ লাখ ৩৮ হাজাৰ ৫৬৫ গৰাকী পৰিক্ষাৰ্থী অৱতীৰ্ণ হব। এই পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন জিলা প্ৰশাসনে কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি

**ৰাজহুৱা অনুষ্ঠানসমূহ মাইক জাতীয় উচ্চ প্ৰাবল্যৰ শব্দৰ যন্ত্ৰ ব্যৱহাৰ নকৰাকৈ আয়োজন কৰি পৰীক্ষাৰ্থীসকলক সহায় কৰিবলৈ ৰাইজক আহ্বান জনোৱা হৈছেp০০০০**

২০২৬-২৭ বৰ্ষৰ বাজেটত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃগাঁথনি আৰু সৰ্বাত্মক উন্নয়নৰ বাবে ২ লাখ কোটি টকাৰ অনুমোদন দিয়া হৈছে। উন্নয়নৰ কেইবাটাও ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি বিভিন্ন শিতানত ধনৰ আবণ্টন দিয়া হৈছে। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ত এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে উত্তৰ-পূৱ উন্নয়ন মন্ত্ৰালয়লৈ আৱণ্টন তিনিগুণ বৃদ্ধি হৈ ছহেজাৰ ৮১২ কোটি টকা হৈছে। ৰেল বাজেট অভিলেখ সংখ্যক ১১ হাজাৰ ৪৮৬ কোটি টকালৈ বৰ্দ্ধি হৈছে। এই পৰিমাণ পূৰ্বতকৈ পাঁচগুণ অধিক বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

বিটিচিৰ সৰ্বাংগীন উন্নয়নৰ পুনৰ প্ৰতিশ্ৰুতিৰে কাইলৈ ২৪ সংখ্যক বড়োলেণ্ড দিৱস উদ্‌যাপন কৰা হ'ব। এই উপলক্ষে কোকৰাঝাৰৰ বডোফা নগৰৰ গ্ৰীণ ফীল্ডত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানত বিটিচিৰ মুৰববী হাগ্ৰামা মহিলাৰী আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা উপস্থিত থাকিব। তামুলপুৰ জিলাতো কাইলৈ বি পি এফ দলৰ উদ্যোগত জিলাখনৰ থাইগিৰখাৰীৰ হিৰিম্বা হালামাৰি বাথৌ ফিল্ডত বড়োলেণ্ড দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। এই অনুষ্ঠানত কেইবাটাও জাতি-জনগোষ্ঠীৰ স্বকীয় পৰম্পৰা আৰু সংস্কৃতি প্ৰদৰ্শন কৰা হ'ব। এই উপলক্ষে আজিৰে পৰা বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। কাইলৈ বড়োলেণ্ডৰ শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হ'ব। বড়োলেণ্ড দিৱসৰ পৰিপ্ৰেক্ষিতত কাইলৈ বিটিচিত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে। বিটিচিৰ সচিবে জাৰি কৰা নিৰ্দেশ অনুসৰি কাইলৈ বিটিচিৰ সকলোবোৰ চৰকাৰী কাৰ্যালয়ৰ লগতে ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহ বন্ধ থাকিব।

০০০০০

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আহমেদাবাদত চলি থকা তৃতীয়খন খেলত দক্ষিণ আফ্ৰিকাই কানাডাক জয়ৰ বাবে ২১৪ ৰানৰ লক্ষ্য বান্ধি দিছে।

কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত আজিৰ প্ৰথমখন খেলত স্কটলেণ্ডে ইটালীক ৭৩ ৰাণত পৰাজিত কৰে। কলম্বোত অনুষ্ঠিত এখন খেলত জিম্বাবুৱেই ওমানক ৮ উইকেটত পৰাজিত কৰে।

০০০০০

অসম কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিজ্ঞানী অধ্যাপক ড০ বিজ্ঞান বৰদলৈৰ আজি বিয়লি অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত হৃদৰোগত আক্ৰান্ত হৈ দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭২ বছৰ।

০০০০০

**ঃঃ সমাপ্ত ঃঃ**